আমাৰ অসম ১৭/৮

# মেৰাপানীত পঞ্চায়ত সচিবৰ অনুপস্থিতিৰ বাবে এন আৰ চি প্ৰ-পত্ৰই দাখিল কৰিব পৰা নাই অধিকাংশই

## ব্যৱস্থা গ্ৰহণৰ দাবীত জিলা উপায়ুক্তক অভিযোগ এবছুৰ

মেৰাপানী, ১৬ আগষ্ট ঃগোলাঘাট জিলাৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত সীমান্ত গাঁও পঞ্চায়তৰ সচিবগৰাকীয়ে দীৰ্ঘদিন ধৰি নিজ পঞ্চায়ত কাৰ্যালয়ত নিয়মিতভাৱে উপস্থিত নাথাকি স্থানীয় ৰাইজক চৰম অসুবিধাত পেলোৱা বুলি অভিযোগ কৰিছে অঞ্চলবাসীৰ লগতে কেইবাটাও সংগঠনে। উল্লেখ্য, ৰাজ্যখনত সম্প্ৰতি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম হিচাপে নিৰ্ধাৰিত পঞ্চায়তসমূহত প্ৰ-পত্ৰ সংগ্ৰহৰ কাম চলি আছে যদিও বৰ্তমান সময়লৈকে প্ৰায় পঞ্চাছ শতাংশ লোকৰ প্ৰ-পত্ৰ জমা দিবলৈ এতিয়াও বাকী থকা অৱস্থাত মেৰাপানী অঞ্চলৰ সীমান্ত গাঁও পঞ্চায়তত সচিব সোনেশ্বৰ গগৈয়ে নিয়মীয়াকৈ কাৰ্যালয়ত উপস্থিত নথকাত ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে সৰ্বসাধাৰণ ৰাইজ। উল্লেখ্য, ইতিমধ্যে উচ্চতম ন্যায়ালয়ে এন আৰ চি প্ৰ-পত্ৰ জমাৰ শেষ সময় ৩০ আগষ্ট বুলি নিৰ্ধাৰণ কৰি দিয়াত এতিয়া অঞ্চলটোৰ ৰাইজে এখন প্ৰয়োজনীয় নথিৰ বাবে পঞ্চায়ত কাৰ্যালয়লৈ তাঁত-বাতি কাঢ়িও সচিবজনক লগ ধৰিব পৰা নাই। এই সন্দৰ্ভত নিখিল বড়ো ছাত্ৰ সন্থাৰ চিচুপানী আঞ্চলিক সমিতি আৰু গোলাঘাট জিলা বড়ো সাহিত্য সভাই সচিবজনৰ বিগত কেইবছৰ ধৰি পঞ্চায়ত কাৰ্যালয়টোত নিয়মিত উপস্থিত নথকাৰ অভিযোগ তুলি গোলাঘাট জিলা উপায়ুক্ত আৰু জিলা পৰিষদৰ কাৰ্যালয়ত লিখিত অভিযোগ দাখিল কৰি সচিবজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে। ইফালে প্ৰায় এমাহৰ আগতে সচিব সোনেশ্বৰ গগৈক সীমান্ত গাঁও পঞ্চায়তৰ লগতে চাউদাংপথাৰ গাঁও পঞ্চায়ততো একে সময়তে অতিৰিক্ত দায়িত্ব অৰ্পণ কৰাত এনেদৰে নিয়াৰিকৈ কাম কৰাত বিসংগতি হোৱা বুলি জানিব পৰা গৈছে। যাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে একেজন লোকক কেইবাটাও দায়িত্ব প্ৰদান কৰি ৰাইজৰ বিভিন্ন পঞ্চায়তৰ কামত ব্যাঘাত জন্মাই আহিছে। এইক্ষেত্ৰত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে ৰাইজে।

দৈনিক জনমভূমি ১৭/৮

# এন আৰ চিৰ কামত গাঁওবুঢ়াৰ সহযোগৰ আশ্বাস

**দৈনিক জনমভূমিৰ বাতৰিৰ প্ৰভাৱ**

ডিফু ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৬ আগষ্ট ঃ যোৱা ২৫ জুলাই দৈনিক জনমভূমিত প্ৰকাশিত 'কাৰ্বি আংলঙত ধনৰ লালসাতে গাঁওবুঢ়াই দিছে প্ৰমাণ-পত্ৰ, এন আৰ চিত বহিৰাগতৰ নাম অন্তৰ্ভুক্তিৰ সম্ভাৱনা' শীৰ্ষক বাতৰিটোৰ ব্যাপক প্ৰভাৱ পৰিছে। জিলাখনত ৰাজ্যৰ নাগৰিকপঞ্জী উন্নীতকৰণৰ সমন্বয়ৰক্ষক প্ৰতীক হাজেলাই বাতৰিটোৰ পাছত জিলাৰ উপায়ুক্তক বিহিত ব্যৱস্থা ল'বলৈ তদন্তৰ নিৰ্দেশ দিয়ে। আনহাতে জিলাৰ উপায়ুক্তই প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত বিহিত ব্যৱস্থা ল'বলৈ মহকুমা বিষয়াসকলক নিৰ্দেশ দিছে। আনহাতে কাৰ্বি আংলং জিলাৰ চাৰিটা ৰাজহ চক্ৰৰ চৰকাৰী গাঁওবুঢ়াসকলে আজি ডিফুত এখন সভাত মিলিত হৈ সকলোধৰণৰ তদন্তত সহযোগ কৰাৰ আশ্বাস দিয়ে। চৰকাৰী গাঁওবুঢ়াসকলৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চিকাৰী তিছ' আৰু সম্পাদক চিকাৰী কাথাৰে এটা বিবৃতিত জানিবলৈ দিয়ে যে যদি চৰকাৰী গাঁওবুঢ়াসকলে বহিৰাগতৰ নাম অন্তৰ্ভুক্তিৰ সুবিধা দিছে সেয়া গৰিহণাৰ যোগ্য। গাঁওবুঢ়া সন্থাই বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ তদন্তৰ ব্যৱস্থা কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে সভাত তেওঁলোকে সকলো চৰকাৰী গাঁওবুঢ়াক সতৰ্ক কৰি এনে অনিয়মত লিপ্ত নহ'বলৈ আহ্বান জনায়। আনহাতে চৰকাৰী গাঁওবুঢ়া সন্থাই এন আৰ চিত সঠিক লোকৰ অন্তৰ্ভুক্তিৰ বাবে জিলাখনত এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণৰ সময়সীমা বৃদ্ধি কৰিবলৈ আহ্বান জনায়।